# কৰ্ণধাৰ সমিতিৰ বৈঠক

০২ ডিচেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে গুৱাহাটী কাৰ্যালয়ত ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত সভাৰ কৰ্ণধাৰ সমিতিৰ শেহতীয়া বৈঠক অনুষ্ঠিত হয়। সভাৰ মূল কাৰ্যসূচী আছিল অসমীয়া আৰু অন্যান্য মাতৃভাষা প্ৰয়োগ আৰু সমাগত কাৰ্যনিৰ্বাহক সভা সম্বন্ধে আলোচনা। প্ৰধান সম্পাদকৰ আদৰণি আৰু উদ্দেশ্য ব্যাখ্যাৰ পিছত মাননীয় সভাপতিয়ে অলপতে অসমৰ মুখ্যমন্ত্ৰীয়ে অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ পাঠ্যক্ৰমত ৰাজ্যভাষা আৰু মাতৃভাষাৰ প্ৰতি অৱহেলাসূচক সিদ্ধান্তৰ ঘোষণা সন্দৰ্ভত সভাৰ এটি উচ্চ পৰ্যায়ৰ বিষয়ববীয়াৰ দলে যোৱাবছৰ অসমৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি ৰাজ্যভাষা আৰু মাতৃভাষাৰ মৰ্যাদা অটুত ৰাখিবলৈ স্মাৰক পত্ৰ প্ৰদান কৰাৰ বিষয়ে কয়। এই সন্দৰ্ভত সভাত বিশেষভাৱে আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থকা অসম লোকসেৱা আয়োগৰ অৱসৰী অধ্যক্ষ পল্লৱ ভট্টাচাৰ্যই আয়োগৰ পৰীক্ষাৰ পাঠ্যক্ৰমত ৰাজ্যভাষা আৰু মাতৃভাষাৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ আইন ব্যৱস্থাৰ সহায় লোৱাৰ পক্ষে মতামত পোষণ কৰে। এই সন্দৰ্ভত তেওঁ অৱসৰপ্ৰাপ্ত ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মা অধীনস্থ অসম লোকসেৱা আয়োগ সংস্কাৰ সমিতিলৈকো এখন স্মাৰক পত্ৰ প্ৰদান কৰাটো উচিত বুলি কৈ তেওঁ গুজৰাট, কেৰেলা, গোৱা, তামিলনাডু আদি ৰাজ্যৰ লোকসেৱা আয়োগসমূহত নিজ নিজ ৰাজ্যভাষাৰ মৰ্যাদাৰ কথা ব্যাখ্যা কৰে। সভাত আন এগৰাকী বিশেষভাৱে আমন্ত্ৰিত অতিথি মুকুল চন্দ্ৰ গগৈয়ে ওড়িষা লোকসেৱা আয়োগৰ পৰীক্ষা পাঠ্যক্ৰমত ওড়িয়া ভাষাৰ প্ৰাধান্যৰ বিষয়ে বহলাই কয়। সভাত কৰ্ণধাৰ সমিতিৰ সদস্য ড° হিতেশ ডেকাই এই সন্দৰ্ভত আইনৰ সহায় লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অতি শীঘ্ৰেই অসম সাহিত্য সভাই সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু অসমৰ একাধিক শিক্ষক, কৰ্মচাৰী সন্থাসমূহ, জনজাতীয় সাহিত্য সভাসমূহ, জনজাতীয় ছাত্ৰ সংগঠনসমূহ আদিৰ সৈতে আলোচনা কৰাটো নিত্যান্তই উচিত বুলি মতপোষণ কৰে। সভাৰ উপ-সভাপতি মৃণালিনী দেৱী আৰু গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক মনজিৎ সিঙে এই সন্দৰ্ভত ৰাজ্য চৰকাৰকো এখন স্মাৰক পত্ৰ প্ৰদানৰ কথা কয়। এই সন্দৰ্ভত আইনৰ সহায় লোৱা, বিভিন্ন দল-সংগঠনৰ সৈতে আলোচনা কৰা, লোকসেৱা আয়োগ সংস্কাৰ সমিতি আৰু ৰাজ্য চৰকাৰক স্মাৰক পত্ৰ প্ৰদান কৰা বিষয়সমূহৰ প্ৰতি সভাত উপস্থিত থকা আটায়ে সমৰ্থন আগবঢ়ায়। সভাত সংবিধান সংশোধন সম্পৰ্কে বিশদভাৱে আলোচনা হয় আৰু ড° হিতেশ ডেকাই পৰামৰ্শ দিয়ে যে যোৱা ৩ অক্টোবৰ তাৰিখে অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্তক অৱমাননা কৰা বাবে প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা আৰু সংশোধনী সমিতিয়ে প্ৰস্তুত কৰা সংশোধনীৰ খচৰা অহা কাৰ্যনিৰ্বাহকত উত্থাপন কৰা উচিত। সভাই পাবলগীয়া ৰাজ্য চৰকাৰৰ ধন মোকোলাই দিয়া সন্দৰ্ভত মাননীয় সভাপতিয়ে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰিবৰ বাবে উপ-সভাপতিক মুখ্যমন্ত্ৰীৰ পৰা সাক্ষাতৰ বাবে দিন আৰু সময় ঠিক কৰাৰ দায়িত্ব দিয়ে। সভাত মুক্ত শিক্ষা সংসদৰ দুগৰাকী সমন্বয়ক শান্তনা ঠাকুৰীয়া (গুৱাহাটী) আৰু স্মৃতিৰেখা বৰা (যোৰহাট)ৰ মাহিলী দৰমহা দুহেজাৰ টকাকৈ বৃদ্ধি কৰা হয়। সভাত সমাগত কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যসূচীৰ চূড়ান্ত ৰূপ দিয়া হয়। সভাৰ পৰৱৰ্তী অধিৱেশনৰ সময় ঠিক কৰিবলৈ গঠন কৰা দুজনীয়া পৰ্যবেক্ষণ সমিতিৰ প্ৰতিবেদন সমাগত কাৰ্যনিৰ্বাহক সভাত উত্থাপন কৰাৰ পিছত সেই সভাতেই সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি প্ৰধান সম্পাদকে ব্যক্ত কৰে।

০-০-০-০